# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date :** 27-06-2025
**Time :** 18-00 Hrs

***Assamese EVENING Bulletin***

**::::::::::::::::::::::::::::::::**

ৰাজ্য চৰকাৰে প্ৰাপ্ত বয়স্ক লোকক আধাৰ কাৰ্ড প্ৰদানৰ ক্ষেত্ৰত থকা নিয়মাৱলী অধিক কঠোৰ কৰি তোলাৰ সিদ্ধান্ত লৈছে। এই অনুসৰি ১৮ বছৰৰ উৰ্ধৰ আধাৰৰ বাবে আবেদন কৰা লোকৰ তথ্যপাতিসমূহ অতি সূক্ষ্মভাৱে নিৰীক্ষণ কৰা হ'ব আৰু জিলা আয়ুক্তইহে তেওঁলোকক আধাৰ কাৰ্ড প্ৰদান কৰিব। দিছপুৰৰ লোকসেৱা ভৱনত আয়োজিত অসম মন্ত্ৰীসভাৰ বৈঠকত অধ্যক্ষতা কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে বাংলাদেশৰ পৰা অবৈধভাৱে অসমলৈ অহা লোকে যাতে আধাৰ কাৰ্ড লাভ কৰিব নোৱাৰে তাৰ বাবে এই ব্যৱস্থা লোৱা হৈছে। আধাৰ কাৰ্ডৰ বাবে আবেদন কৰোঁতে অথবা ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্ত কৰাৰ ক্ষেত্ৰত পৰৱৰ্তী সময়ত জন্মৰ প্ৰমাণ পত্ৰৰ প্ৰয়োজন হ'ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

আজিৰ বৈঠকত আন কেতবোৰ গুৰুত্বপূৰ্ণ সিদ্ধান্তও গ্ৰহণ কৰা হয়। নামঘৰ, মন্দিৰ, মহিলা সমিতি আদিৰ বাবে ভূমি অধিকাৰত অনুমোদন জনোৱা হয়। তদুপৰি শিক্ষানুষ্ঠান আৰু সামাজিক, সাংস্কৃতিক সংগঠনৰ বাবে এহেজাৰৰো অধিক ভূমি অধিকাৰত অনুমোদন জনোৱা হয়। মন্ত্ৰীসভাই এতিয়াৰে পৰা জিলা পৰিষদৰ সভাপতি আৰু উপ-সভাপতিৰ নিৰ্বাচন প্ৰক্ৰিয়া লটাৰীৰ জৰিয়তে সম্পন্ন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। ইপিনে, মৰাণ আৰু মটক স্বায়ত্ব পৰিষদৰ নিৰ্বাচনত কেৱল মৰাণ আৰু মটক সম্প্ৰদায়ৰ লোককহে ভোটদানৰ অধিকাৰ প্ৰদানৰ বিষয়টোতো মন্ত্ৰীসভাই অনুমোদন জনায়।

০০০০

গোলাঘাট জিলাত বোকাখাটৰ সাপজুৰি পানবাৰী নিগমৰ চি আৰ পি এফ চৌহদত গ্ৰেনেড বিস্ফোৰণৰ সৈতে জড়িত ৰূপজ্যোতি দাস নামৰ এজন যুৱকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। এই ঘটনাৰ সৈতে জড়িতৰ সন্দেহত আৰক্ষীয়ে আলফা স্বাধীনৰ দুজন লিংকমেনকো আটক কৰিছে। বিশেষ সূত্ৰৰ পৰা জানিব পৰা মতে লিংকমেন দুজনক তেজপুৰৰ পৰা আটক কৰা হৈছে। উল্লেখযোগ্য যে পানবাৰী চি আৰ পি এফৰ কেম্পত ৰূপজ্যোতি দাসৰ সৈতে অংকুৰ দাস নামৰ আন এগৰাকী যুৱকো গ্ৰেনেড বিস্ফোৰণৰ সৈতে জড়িত আছিল। বোকাখাটৰ গ্ৰেনেড বিস্ফোৰণৰ তদন্তৰ পম খেদি লখিমপুৰ আৰক্ষীয়েও এটা গ্ৰেনেড উদ্ধাৰ কৰাৰ তথ্য পোহৰলৈ আহিছে। এই ক্ষেত্ৰত অধিক তথ্যৰ বাবে আৰক্ষীৰ তদন্ত অভিযান অব্যাহত আছে।

০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কঁহৰা বনাঞ্চলৰ অন্তৰ্গত আৰিমোৰা এলেকা বছৰৰ দ্বিতীয়টো বানৰ কবলত পৰিছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষৰ সূত্ৰই জনোৱা মতে, ডিব্ৰুগড় আৰু নিমাটিঘাটৰ ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ বিপদসীমা অতিক্ৰম কৰাৰ সম্ভাৱনাৰ ফলত কাজিৰঙাতো জলস্তৰ বৃদ্ধি হোৱাৰ আশংকা হৈছে। সেয়েহে সতৰ্কতামূলক ব্যৱস্থা হিচাপে কাজিৰঙাৰ মাজেৰে যোৱা ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত প্ৰশাসনে ১৪৪ ধাৰা বলবৎ

ৰখাৰ লগতে কৰিড'ৰসমূহত বেৰিকেট স্থাপন কৰা বনকৰ্মী মোতায়েন কৰিছে। বানৰ সময়ত ৰাষ্ট্ৰীয় ঘাইপথ অতিক্ৰম কৰি কাৰ্বি পাহাৰৰ ওখ স্থানত আশ্ৰয় লবলৈ ওলাই যোৱা ৰাষ্ট্ৰীয় উদ্যানখনৰ বন্যপ্ৰাণীৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি উদ্যান কৰ্তৃপক্ষই এই ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০

ৰাজ্যিক স্তৰৰ নিযুক্তি আয়োগৰ তৃতীয়বৰ্গৰ গাড়ী চলোৱা দক্ষতা পৰীক্ষাত অৱতীৰ্ণ হ'ব নোৱাৰা ডিমা হাচাও আৰু বৰাক উপত্যকাৰ প্ৰাৰ্থীসকলৰ বাবে ৰাজ্য চৰকাৰে এটা নতুন তাৰিখত তেওঁলোকক পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ সুযোগ প্ৰদান কৰি বিশেষ নিৰ্দেশনা জাৰি কৰিছে। ডিমা হাচাও জিলাৰ অন্তৰ্গত ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ জাতিংগা আৰু লামপুৰৰ মাজত হোৱা প্ৰৱল ভূমিস্খলনৰ বাবে যোগাযোগ ব্যাহত হোৱাত প্ৰাৰ্থীসকলে এই পৰীক্ষাত অৱতীৰ্ণ হ'ব নোৱাৰিলে। এনে প্ৰাৰ্থীসকলক তেওঁলোকৰ প্ৰৱেশপত্ৰ স্থায়ী বাসিন্দাৰ প্ৰমাণপত্ৰসহ ই-মেইল যোগে প্ৰেৰণ কৰিবলৈ আহ্বান জনোৱা হৈছে। প্ৰাৰ্থীসকলে SLRC3ASSAM@GMAIL.COMত আয়োগলৈ সংশ্লিষ্ট তথ্যপাতি প্ৰেৰণ কৰিব পাৰিব।

০০০০

অনুসন্ধান নেচনেল ৰিচাৰ্চ ফাউণ্ডেছন আৰু জৈৱ প্ৰযুক্তিবিদ্যা বিভাগৰ অৰ্থসাহায্যৰে মাজুলী মহাবিদ্যালয়ত এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ আজিৰে পৰা আৰম্ভ হৈছে। মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান, প্ৰাণী বিজ্ঞান বিভাগ আৰু ইকো ক্লাৱ তথা মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সহযোগত অনুষ্ঠিত আলোচনাচক্ৰখন মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়াই উদ্বোধন কৰে। অনুষ্ঠানত নতুন দিল্লীৰ টেৰিচাচৰ অধ্যাপক ডঃ শশীভূষণ ত্ৰিপাঠিয়ে জলবায়ু পৰিৱৰ্তন আৰু জৈৱ বৈচিত্ৰৰ ওপৰত ইয়াৰ প্ৰভাৱ সন্দৰ্ভত আলোকপাত কৰে। আজি বিয়লিৰ ভাগত অনুষ্ঠিত ৪ খনকৈ আলোচনা সত্ৰত বহুকেইগৰাকী অধ্যাপক তথা গৱেষকে নিজৰ গৱেষণা পত্ৰ উপস্থাপন কৰে। এই আলোচনাচক্ৰত দেশৰ বিভিন্ন প্ৰান্তৰ প্ৰায় ২ শৰো অধিক অংশগ্ৰহণকাৰীয়ে নিজৰ গৱেষণা পত্ৰ পাঠ কৰিব বুলি উদ্যোক্তাসকলে জনাইছে।

০০০০

শিৱসাগৰ জিলাৰ ৰুদ্ৰসাগৰ তৈল ক্ষেত্ৰৰ ভটিয়াপাৰৰ ১৪৭ নম্বৰ তৈল খাদটোৰ গেছ নিৰ্গমন ১৬ দিনৰ পাছত অৱশেষত আজি বিশেষজ্ঞসকলে ৰোধ কৰিবলৈ সমৰ্থ হয়। পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ মন্ত্ৰী হৰদীপ সিং পুৰীয়ে সামাজিক মাধ্যমত এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে ১২ জুনত আৰম্ভ হোৱা এই বিপজ্জনক গেছ নিৰ্গমন অ' এন জি চিৰ সংকট ব্যৱস্থাপনা দলে আন্তঃৰাষ্ট্ৰীয় বিশেষজ্ঞৰ সহায়ত স্থায়ীভাৱে বন্ধ কৰিবলৈ সমৰ্থ হয়। উল্লেখযোগ্য যে বিগত এসপ্তাহ ধৰি প্ৰতিকূল পৰিস্থিতিকো নেওচি আমেৰিকাৰ বিশেষজ্ঞ দলৰ নেতৃত্বত খাদটোৰ গেছ নিৰ্গমন ৰোধ কৰি বন্ধ কৰাৰ প্ৰচেষ্টা চলাই থকা হৈছিল।

০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ অহা ৩০ জুনত প্ৰস্তাৱিত গোলাঘাট ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত আজি গোলাঘাট পৌৰসভাৰ বিষয়ববীয়া আৰু ৱাৰ্ড সদস্যসকলৰ সৈতে বিত্তমন্ত্ৰী অজন্তা নেওগ এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। মুখ্যমন্ত্ৰীৰ এই ভ্ৰমণ সাফল্যমণ্ডিত কৰি তোলাৰ বাবে আজিৰ বৈঠকত বিভিন্ন দিশ পৰ্যালোচনা কৰা হয়। বৈঠকত কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, গোলাঘাট জিলা বিজেপিৰ সভাপতি চন্দ্ৰজ্যোতি ঠাকুৰ, গোলাঘাট পৌৰসভাৰ সভানেত্ৰী দুলুমণি বৰবৰা আদি উপস্থিত থাকে।

০০০০

সমাপ্ত